بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**হজৰত মছীহ মাওউদ (আঃ)ৰ জ্ঞান গভীৰ তত্ত্ব সম্বলিত বাণীৰ আধাৰত কোৰাণ করিমৰ ফজিলত, মৰ্যাদা, স্থান আৰু মহানতা সম্পৰ্কে চমু বৰ্ননা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২২ মাৰ্চ ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ. اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ. الرَّحۡمٰنِ الرَّحِیۡمِ. مٰلِکِ یَوۡمِ الدِّیۡنِ. اِیَّاکَ نَعۡبُدُ وَ اِیَّاکَ نَسۡتَعِیۡنُ. اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ. صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَ لَا الضَّآلِّیۡنَ.

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা আৰু ছুৰাতুল বাকাৰাৰ ১৮২ নং আয়াত পাঠ কৰি তৰজমা শুনাই হুজুৰ (আইঃ)য়ে কয় যে আল্লাহ তা'লাই এই আয়াতৰ মাজত মানৱ জাতিৰ বাবে দিছে মহত্বপূৰ্ণ হিদায়ত, কোৰাণ করিমৰ মাজত সমস্ত কাৰ্যাৱলীৰ সীমা নিৰ্ধাৰণ কৰি চয়তানৰ বাটলৈ সতৰ্ক কৰি, বৰ্তমান আৰু ভৱিষ্যতৰ সকলো বিপদাৱলীৰ পৰা ৰক্ষা পৰিবলৈ আৰু খোদা তা'লাৰ ফালে আগবাঢ়ি যাবলৈ আৰু তাৰ সৈতে নিবিড় সম্পৰ্ক গঢ়ি তুলিবলৈ আৰু তাৰ হিদায়তৰ ওপৰত প্ৰতিষ্ঠিত থকাৰ বাট দেখুৱাই এই শেষ আৰু পূৰ্ণ চৰিয়ত স্থাপন কৰি ইয়াৰ মাজত পৱিত্ৰ ৰমজান মাহৰ গুৰুত্ব বৰ্ণনা কৰিছে।

গতিকে সৌভাগ্যবান হ'ল সেই সকল লোক যিসকলে এই মহান কিতাপ খনক নিজৰ দৈনিক ৰুটিন বনাই নিয়মিত আমল কৰে আৰু নিজৰ জগত আৰু আখিৰাত সুন্দৰ কৰি সত্যৰ ওপৰত প্ৰতিষ্ঠিত হৈ যায়। তাৰ পিছতহে আল্লাহ তা'লাৰ বান্দা সকলে আল্লাহ তা'লাৰ ভালপোৱাৰ আৰু প্ৰেমাস্পদ আচৰণৰ দৃশ্য দেখিবলৈ পায়। ৰমজান মাহৰ এই ফালৰ পৰাও এটা বিশেষ গুৰুত্ব আছে যে এই মাহটোতে আল্লাহ তা'লা এটা সম্পূৰ্ণ চৰিয়ত আমাৰ ওপৰত নাযিল কৰিবলৈ লৈছিল আৰু এই কিতাপ খনতে আমাক ৰোজাৰ ফৰজিয়ত আৰু ইবাদতৰ পদ্ধতি শিকাইছে। যেতিয়ালৈকে আমি এই সম্পূৰ্ণ হিদায়ত সম্পৰ্কে জ্ঞান অৰ্জন নকৰো আৰু এইবোৰ আমি নিজৰ জীৱনৰ বাবে কাৰ্যসূচী নবনাও, আমি ৰমজানৰ মহানতা সম্পৰ্কে একো জ্ঞান লাভ কৰিব নোৱাৰো। আমি আহমদী সকলে সোভাগ্যবান যে আমাক এই বিষয়ে আঁহজৰত (ছাঃ)ৰ সত্য প্ৰাণ দাস হজৰত মছীহ মাওউদ (আঃ)য়ে জ্ঞান দান কৰি গৈছে। সেয়ে আমি তেখেত (আঃ)ৰ তত্ত্ব সম্বলিত কিতাপ আৰু তফছিৰ সমূহ বিশেষ মনোযোগেৰে অধ্যয়ন কৰাৰ প্ৰয়োজন

আছে। যাতে সেই মহান বাণী সমূহ আৰু হিদায়ত বিলাক মেলি সেইমতে আমল কৰিব পাৰো।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বছৰত এবাৰ মছীহ মাওউদ দিৱস আহে, আমি তাতে নিয়মিত ভাৱে জলছা আদি অনুষ্ঠান পাতি দিৱস উৎযাপন কৰো। দিৱস উৎযাপনৰ জলছাত আঁহজৰত (ছাঃ)ৰ ভৱিষ্যদ্বাণী আৰু আল্লাহ তা'লাৰ প্ৰতিশ্ৰুতি অনুযায়ী মছীহ মাওউদ (আঃ)ৰ আগমন সম্পৰ্কে ভাষণ আদি হৈ থাকে। সেই বুলি ইখিনিতেই ঈমানৰ উন্নতি হোৱা বুলি ক'ব নোৱাৰি, বৰং হজৰত মছীহ মাওউদ (আঃ)য়ে কোৰাণ কৰিম সম্পৰ্কে যি জ্ঞান ভাণ্ডাৰ আমাক প্ৰদান কৰি গৈছে, সেই বিলাক আমি পঢ়ি লৈ তাৰ ওপৰত আমল কৰা আৰু সেই তত্ত্ববিলাক নিজৰ জীৱনৰ অংশ বনাই লোৱাটো চৰম গুৰুত্বপূৰ্ণ কাৰণ এইবিলাকৰ অবিহনে আমাৰ ঈমান পূৰ্ণতা লাভ কৰা সম্ভৱ নহয়। ৰমজান মাহত ৰোজা ৰখা, ফৰজ নামাজ সমূহ আদায় কৰা আৰু কিছু হ'ল ছুন্নত পঢ়িলেই ৰমজানৰ সম্পূৰ্ণ দায়িত্ব বা হক আদায় কৰা বুলি ধৰিব নোৱাৰি, বৰং ইয়াৰ লগতে কোৰাণ কৰিম পঢ়ি তাৰ আদেশ সমূহ বিচাৰি উলিয়াই আমল কৰাৰ বিশেষ প্ৰয়োজন আছে। কাৰণ এই বিষয় সমূহৰে আল্লাহ তা'লাৰ ছিফাতে ৰহমানিয়ত আৰু ছিফাতে ৰহিমিয়তৰ গুণাৱলীত আমি কল্যাণ লাভ কৰোঁতা হ'ব পাৰিম। এই সম্পৰ্কে আমি আগবাঢ়ি যাবলৈ হলে হজৰত মছীহ মাওউদ (আঃ)ৰ অসংখ্য বাণী আৰু লিখনি সমূহ পঢ়ি, সেই অনুসাৰে আমল কৰিলে আমি কোৰাণ কৰিমত নিহিত থকা কল্যাণ সমূহৰ পৰা কল্যাণমণ্ডিত হ'ব পাৰিম।

ৰমজান মাহত প্ৰত্যেকেই প্ৰত্যহ কমপক্ষে এক পাৰাকৈ কোৰাণ পঢ়াৰ প্ৰয়োজন আছে যাতে মাহটোৰ ভিতৰত কোৰাণ প্ৰথমৰ পৰা শেষলৈকে এবাৰ পঢ়া শেষ হয়। হজৰত জিব্ৰাইল (আঃ)য়ে আহি ৰমজান মাহত আঁহজৰত (ছাঃ)ক অৱতীৰ্ণ হোৱা কোৰাণ সম্পূৰ্ণ ৰূপে এবাৰকৈ পঢ়োৱাইছিল। কিন্তু আঁহজৰত (ছাঃ)ৰ জীৱনৰ অন্তিম বছৰত এই পঢ়া দুবাৰ সম্পূৰ্ণ কৰোৱাইছিল। গতিকে কোৰাণ কৰিম তিলাওয়াতৰ ওপৰত সকলোৱে গুৰুত্ব দিয়া উচিত। হজৰত মছীহ মাওউদ (আঃ)য়ে শ্বাহৰু ৰামাজানাল্লাজি উনজিলা ফিহিল কোৰাণ সম্পৰ্কে কৈছে যে এই বাক্য খিনিৰ জৰিয়তে ৰমজান মাহৰ মহত্ব অনুমান কৰিব পাৰি। ছুফিয়া সকলে লিখিছে যে এই মাহটো সুস্থ আত্মাৰ বাবে এটা উত্তম মাহ। সঘনাই এই মাহত ৰহস্য ভেদৰ দুৱাৰ উন্মোচিত হয়। নামাজে প্ৰবৃত্তিক পৱিত্ৰ কৰে আৰু ৰোজাই হৃদয় উজ্জ্বল কৰি তুলে। আকৌ কৈছে যে মই কোৰাণ কৰিমৰ শব্দবোৰ এটা এটাকৈ ভাৱিছিলো তেতিয়া দেখিছিলো যে এই মোবাৰক শব্দটোত এটা মহান ভৱিষ্যতবাণী ৰৈ আছে। সেয়া হ'ল এয়া যে এই কোৰাণ অৰ্থাৎ পঢ়াৰ যোগ্য কিতাপ আৰু এটা যুগত আৰু কিছুমান কিতাপ ইয়াৰ লগত পঢ়িবলৈ লোৱা হ'ব। গতিকে সকলো কিতাপ এৰি দিনে ৰাতি আল্লাহ তা'লাৰ কিতাপ পঢ়ি থাকা। আমাৰ জামাতে কোৰাণ কৰিমৰ কাম আৰু তদবিৰত মন প্ৰাণে ব্যস্ত থকা উচিত আৰু হাদীছৰ কামবোৰ এৰি দিলেই হয়।

এতিয়া কোৰাণ কৰিমৰ জিহাদ হাতত লোৱা, তোমালোকৰ বাবে জয় নিশ্চিত। এই কিৰণমালাৰ আগত কোনো মহত্বই টিকি থাকিব নোৱাৰে। কৃতকাৰ্য তেওঁলোকেই হ'ব যিসকলে কোৰাণ কৰিম অনুযায়ী ইয়াৰ ছত্ৰছায়াত চলিব। কোৰাণ কৰিম এৰি দিলে তাত কৃতকাৰ্যতা অহাটো এক অসম্ভৱ বিষয়। চাহাবা সকলৰ আদৰ্শ গমি চোৱা, যেতিয়া তেওঁলোকে পয়গম্বৰে খোদা (ছাঃ)ৰ আনুগত্য কৰিছিল দ্বীনক এই বাস্তৱ জগততকৈ বেছি প্ৰাধান্য দিছিল তেতিয়া আল্লাহ তা'লাই দিয়া সকলো প্ৰতিশ্ৰুতি তেওঁলোকক পূৰ্ণ কৰি দিছিল। কৈছে যে যেতিয়ালৈকে মুছলমান সকলৰ পূৰ্ণ মনোযোগ কোৰাণ চৰিফৰ ফালে উলটি নাহিব, তেওঁলোকৰ মাজত সুস্থ ঈমানৰ জন্ম নহ'ব। ইজ্জত আৰু উন্নতি সেই বাটেৰে আহিব যি বাটেৰে আগতে আহিছিল। গতিকে ঈমান আৰু আমলৰ ক্ষেত্ৰত উন্নতি কৰাটো জগত মোহিনী হলে নহ'ব বৰং

কোৰাণ কৰিমৰ আনুগত্যতহে সম্ভৱ হ'ব।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যিজনে সত্য মন প্ৰাণে আল্লাহৰ ওপৰত ঈমান স্থাপন কৰে আৰু তাৰ পৱিত্ৰ কিতাপৰ নিৰ্দেশ মানি আমল কৰে আৰু ৰছুলুল্লাহ (ছাঃ)ৰ ইতায়ত কৰে তাক আল্লাহ তা'লাই সীমাহীন বৰকতৰ অংশীদাৰ বনায়। এনেকুৱা বৰকত তাক দিয়া হয় যে সেয়া বাস্তৱ জগতৰ অনুগ্ৰহ ৰাজিতকৈ বহুগুণে মহান হৈ থাকে। ইয়াৰে এটা হ'ল গোনাহৰ পৰা মুক্তি অৰ্থাৎ পাপ মুক্তি হোৱা। বেলেগ লোক সকলে এই নিয়ামতৰ খবৰ নাজানে। মোৰ কথা বিলাক মনোযোগেৰে শুনা আৰু হৃদয়ঙ্গম কৰি লোৱা আৰু ইয়াৰ ওপৰত আমল কৰি দেখুৱা যে তুমি কথাবিলাক এনেয়ে ইটো কাণেৰে শুনি সিটো কাণেৰে উলিৱাই দিয়া নাই, বৰং ইয়াৰ দ্বাৰা তুমি গভীৰ ভাৱে প্ৰভাৱিত হৈছা।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে ইয়াতে বহি খোতবা শুনা পৰ্যন্ত মনোযোগ থাকিলে নহ'ব বৰং ইয়াৰ পিছতও কথাবিলাকৰ ওপৰত আমল কৰিব লাগিব, অৰ্থাৎ কোৰাণ কৰিম পঢ়িব লাগিব। ৰমজান মাহত এই অভ্যাসটো গঢ়ি তোলক। পিছত স্থায়ী ভাৱে এই অভ্যাস জীৱনৰ অংশ বনাই লওঁক। লগতে আমি কোৰাণ কৰিমৰ শিক্ষা বুজি তাৰ ওপৰত যেন আমল কৰোঁতা হওঁ।

বৰ্তমানে আহমদী সকলক দোষাৰো কৰা হয় যে আহমদী সকলে (নাউজুবিল্লাহ) কোৰাণ কৰিমত সলা-বদলা কৰিছে । হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে কোৰাণ চৰিফ আচমানি বিধান আৰু মুক্তিৰ একমাত্ৰ উপায়। যদি আমি ইয়াৰ মাজত কোনো ধৰণৰ সল-বদলা কৰো তেন্তে সেয়া বৰ কঠোৰ পাপ হ'ব। আচৰিত কথা হ'ল এয়া যে আমি ইহুদী আৰু ঈছাই সকলৰ ওপৰতও দোষ জাপি দিওঁ তেনেকৈ কোৰাণ কৰিমৰ প্ৰতিও একেই মনোভাৱ ৰাখো। মোৰ বৰ আফছোছ হয় আৰু বৰ আচৰিত হওঁ যে ঈছাই সকলৰ কিতাপ ইতিমধ্যে সলা-বদলাৰ চিকাৰ হৈ গৈছে, তেওঁলোকে অৱশ্যেই চেষ্টা কৰিব যাতে এই তেহেৰিক প্ৰমাণিত নহয়। তাতে আমালোকে গৈ তেহেৰিফৰ চিন্তাত লাগিছো।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে মোবাৰক হ'ল সেইজন যিজনে খোদা তা'লাৰ নিমিত্তে নিজৰ প্ৰবৃত্তিৰ সৈতে যুঁজ দিয়ে আৰু দুৰ্ভগীয়া হ'ল সেইজন যিজনে প্ৰবৃত্তিৰ স্বাৰ্থত খোদাৰ সৈতে যুঁজ দি আছে আৰু তাৰ লগত মীমাংসা নকৰে। যিজনে নিজৰ প্ৰবৃত্তিৰ স্বাৰ্থত খোদা তা'লাৰ আদেশ অমান্য কৰে, তেওঁ কদাপিও আচমানত প্ৰৱেশ কৰিব নোৱাৰিব। গতিকে তোমালোকে সচেতন হোৱা, আৰু চেষ্টা কৰা যে যাতে কোৰাণ কৰিমৰ এটা শব্দই যেন তোমাৰ ওপৰত সাক্ষী নিদিয়ে আৰু তুমি ধৰা পৰি নোযোৱা। কাৰণ বিন্দুমাত্ৰ পাপৰ শাস্তি আছে। গতিকে সময় বহুত কম, আৰু জীৱনৰ একো ভৰসা নাই, বেগেৰে খোজ দিয়া, গধূলি ওচৰ চাপিবলৈ লৈছে যি সমস্ত নিবেদন কৰিবলৈ সাজু কৰিছা, সেইবোৰ বাৰে বাৰে চাইচিতি লোৱা, এনেকুৱা যেন নহয়, কিবা বাকী ৰৈ যায় বা সেয়া কেৱল ক্ষতিগ্ৰস্তৰ কাৰক হয় বা পঙ্কিল অথবা অচল হয় যে সেয়া শ্বাহি দৰবাৰত নিবেদন কৰাৰ যোগ্য নহয়।

আল্লাহ তা'লা আমাক প্ৰকৃতাৰ্থে কোৰাণ কৰিমৰ শিক্ষা বুজি পোৱাৰ আৰু অনুধাৱন কৰি আমল কৰাৰ তৌফিক দান কৰক। আমি কেৱল এই ৰমজান মাহটোতেই নহয় বৰং সদায় যেন কোৰাণৰ শিক্ষা অনুধাৱন কৰি নিজৰ জীৱন অতিবাহিত কৰিব পাৰো। যেতিয়া আমি এনেদৰে চলিব পাৰিম তেতিয়াহে ক'ব পাৰিম যে আমি হজৰত মছীহ মাওউদ (আঃ)ৰ বয়াতৰ দায়িত্ব পালন আৰু কৰণীয় খিনি কৰাৰ চেষ্টা কৰিছোঁ। আল্লাহ তা'লা এই ৰমজানৰ লগতে পিছলৈ সদায় আমাক কোৰাণৰ শিক্ষাৰ দ্বাৰা কল্যাণমণ্ডিত হোৱাৰ তৌফিক দান কৰক।

পেলেষ্টাইনী সকলৰ বাবে দোৱা কৰিব। এতিয়াও তাতে যুদ্ধৰ ওপৰি ভোকে পিয়াহে আৰু বেমাৰত নিষ্পাপ ল'ৰা-ছোৱালী বিলাকৰ মৃত্যু হৈ আছে। এতিয়া ইউ, এন অ ৰ বিভিন্ন শাখা-প্ৰশাখা বিলাকেও

সমালোচনা কৰিবলৈ লৈছে যে এয়া হ'ল মানৱে সৃষ্টি কৰা দুৰ্ভিক্ষ আৰু বেমাৰ আজাৰ। এই শোকাকুল পৰিস্থিতি ইজৰাইলৰ চৰকাৰে কৰা জুলুম অত্যাচাৰে সৃষ্টি কৰি আছে। যদি বাধা নিষেধ পৰিহাৰ কৰা হয়, বাট খুলি দিয়া হয় আৰু ৰিলিফ সোনকালে গৈ পায়, তেন্তে এতিয়াও পৰিস্থিতি কিছু ভাল হোৱাৰ সময় আছে। এনেদৰে চুডানৰ জনগনৰ নিমিত্তে দোৱা কৰিব। আল্লাহ তা'লা তেওঁলোকৰ নেতৃবৃন্দ আৰু কৰ্মকৰ্তা সকলক সুস্থ বিবেক দান কৰক। তাতেও ভোকে পিয়াহে আৰু বেমাৰত লোকে মৃত্যু মুখত পৰি আছে আৰু নিজৰ লোক সকলেই স্বদেশী সকলৰ ওপৰত অত্যাচাৰ চলাই আছে। এনে পৰিস্থিতি উদ্ভৱ হোৱাৰ কাৰণ হ'ল এওঁলোকে কোৰাণৰ শিক্ষা পাহৰি পেলাইছে। ইফালে যিজনক আল্লাহ তা'লাৰ ফালৰ পৰা পঠোৱা হৈছে এই যুগত তাক মানি ল'বলৈ অস্বীকাৰ কৰি আছে। এনেকুৱা আৰু কিছুমান মুছলিম দেশ আছে তাতেও অশান্তি বিৰাজ কৰি আছে, চৰকাৰে সাধাৰণ নাগৰিকৰ ওপৰত জুলুম চলাই আছে। পৰস্পৰে পৰস্পৰৰ লগত মৰামাৰি কটা-কটি কৰি আছে। আল্লাহ তা'লা সিহঁতৰ ওপৰত কৃপা বৰ্ষণ কৰক। পাকিস্তানৰ কয়েদী সকলৰ বাবে দোৱা কৰিব। এনেদৰে ইয়ামিনৰ কয়েদী সকলৰ বাবে দোৱা কৰিব যাতে আল্লাহ তা'লা তাতে আহমদী সকলক নিৰাপদে ৰাখে।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে মকৰম ডক্টৰ জহিৰ মনছুৰ আহমদ চাহাব অফ আমেৰিকা এখেত হজৰত মছীহ মাওউদ (আঃ) আৰু হজৰত খলিফাতুল মছীহ আউৱাল (ৰাঃ)ৰ পৰনাতি আৰু হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ নাতি আছিল। মকৰম হাছান আৱদিন আগা অফ চৌদি আৰৱ, মকৰম মহম্মদ হজেৰাবি চাহাব অফ আলজেৰিয়া, মকৰম ছঈদ আহমদ ব্ৰাইছ চাহাব অফ ৰাবোৱা আৰু মকৰম শ্বাহবাজ গোন্দেল চাহাব অফ হলেণ্ড আদি কৰি সকলোৰে মৃত্যুৰ সংবাদ দি তেওঁলোকৰ জামাতি খিদমত সম্পৰ্কে চমু বৰ্ণনা দিয়ে আৰু মৰহুমিন সকলৰ নামাজে জানাজা গায়েব পঢ়োৱাৰ ঘোষণা কৰে। আল্লাহ তা'লা মৰহুমিন সকলৰ মৰ্যদা উন্নীত কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمکم اللّٰهِ اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 22 MARCH 2024

**BOOK POST (PRINTED MATTER)**

TO,

..............................................................................................................

..............................................................................................................

..............................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844